**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। স্বচ্ছতা অভিযান ২০২৪ কাইলৈৰ পৰা আৰম্ভ। এই অভিযানৰ অধীনত পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয় আজি বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ।

২। খাদ্য সুৰক্ষা আইনৰ অধীনত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী নতুন হিতাধিকাৰী সংযোজনৰ লক্ষ্যৰে ১৯ ছেপ্তেম্বৰৰ পৰা ১৫ অক্টোবৰলৈ আবেদন দাখিলৰ আহ্বান।

৩। আজি বিশ্ব অ'জন দিৱস। এই উপলক্ষে ক্ষেত্ৰীৰ ডিমৰীয়া মহাবিদ্যালয়ত অ'জন স্তৰ সংৰক্ষণৰ আন্তঃৰাষ্ট্ৰীয় দিৱস পালন। ***আৰু***

৪। চীনৰ হুলুনবুইৰত অনুষ্ঠিত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

স্বচ্ছতা সেৱা অভিযান ২০২৪ কাইলৈ আৰম্ভ হৈ অহা ২ অক্টোবৰলৈ চলিব। এই অভিযানৰ চলিত বৰ্ষৰ বিষয়বস্তু হৈছে- **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা।** এই অভিযানৰ অধীনত পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱাগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা অভিযান চলোৱা হ'ব। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিক সকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন অংশীদাৰীয়ে অংশগ্ৰহণ কৰিব। সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰ অধীনত সকলো ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰালয় তথা স্থানীয় গোটসমূহে দেশজুৰি এই অভিযান সফল কৰিবলৈ স্বচ্ছতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

oooooo

খাদ্য সুৰক্ষা আইনৰ অধীনত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী নতুন হিতাধিকাৰীৰ সংযোজন কৰা হ'ব। এই উদ্দেশ্যে আবেদনকাৰীসকলে অহা ১৯ ছেপ্তেম্বৰৰ পৰা ১৫ অক্টোবৰলৈ আবেদন দাখিল কৰিব পাৰিব। আবেদন পত্ৰ সংশ্লিষ্ট জিলা অথবা মহকুমাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাৰ্যালয় তথা PDS.ASSAM.GOV.IN প'ৰ্টেলৰ পৰা ল'ব পাৰিব।

খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰী সকলৰ যোগ্যতা হিচাপে আবেদনকাৰীৰ পৰিয়ালৰ বাৰ্ষিক আয় ৪ লাখ টকাতকৈ কম হ'ব লাগিব। লগতে আবেদনকাৰী ভাৰতীয় নাগৰিক হোৱাৰ লগতে আধাৰ কাৰ্ড থাকিব লাগিব। ৰাজ্য চৰকাৰৰ অধীনৰ সকলো মাষ্টাৰ ৰোল কৰ্মচাৰী, দৈনিক মজুৰি প্ৰাপক, কেন্দ্ৰীয় তথা ৰাজ্য

চৰকাৰৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলে আবেদন কৰিব পাৰিব। এই আবেদনৰ বাবে ভোটাৰ কাৰ্ড অথবা ভোটাৰ তালিকা, ঠিকনাৰ প্ৰমাণপত্ৰ, পৰিয়ালৰ সকলো সদস্যৰ ফটো, আধাৰ কাৰ্ড, শুদ্ধ আৰু সম্পূৰ্ণভাৱে পূৰণ কৰা প্ৰ-পত্ৰ চি, বেংক একাউণ্টৰ সবিশেষ ইত্যাদি প্ৰয়োজনীয় নথি-পত্ৰ হিচাপে বিবেচনা কৰা হ'ব। সম্পূৰ্ণকৈ পূৰণ কৰা এই আবেদন পত্ৰ প্ৰয়োজনীয় নথি-পত্ৰৰ প্ৰতিলিপিসহ গাঁও অঞ্চলত নিজৰ গাঁও পঞ্চায়ত কাৰ্যালয়ত, চহৰ অঞ্চলত সংশ্লিষ্ট পৌৰসভা, পৌৰ নিগমৰ কাৰ্যালয়ত অথবা জিলা বা মহকুমাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাৰ্যালয়ত জমা দিব পাৰিব। ৰাজহুৱা বিতৰণ ব্যৱস্থা অধিক জনমুখী আৰু স্বচ্ছ কৰাৰ প্ৰয়াসেৰে প্ৰতিমাহৰ প্ৰথম ১০ দিনত অন্নসেৱা দিন হিচাপে চৰকাৰে হিতাধিকাৰীসকলক বিনামূলীয়া চাউল বিতৰণৰ ব্যৱস্থা কৰি আহিছে। সবিশেষ জানিবলৈ  আবেদনকাৰীসকলে সংশ্লিষ্ট জিলা, মহকুমাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্তৰ কাৰ্যালয়ৰ টোল ফ্ৰী নম্বৰ ১৮০০-৩৪৫-৩৬১১ আৰু ১৮০০-৩৪৫-৩৫৮৮ এই নম্বৰত পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ যোগাযোগ কৰিব পাৰিব।

০০০০০০

আজি বিশ্ব অ'জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয় হৈছে **মন্ত্ৰীয়েল প্ৰট'কল-জলবায়ু বিষয়ক কাৰ্যব্যৱস্থাক আগুৱাই নিয়া।** আজি ক্ষেত্ৰীৰ ডিমৰীয়া মহাবিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে অ'জন স্তৰ সংৰক্ষণৰ আন্তঃৰাষ্ট্ৰীয় দিৱস পালন কৰা হ'ব। বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, পৰিৱেশ আৰু বন বিভাগে যুটীয়াভাৱে আয়োজন কৰা এই অনুষ্ঠানত অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, অসম জলবায়ু পৰিৱৰ্তন পৰিচালনা সমিতি, ডিমৰীয়া মহাবিদ্যালয়, ই ই পি অসম আৰু ই আই এ চি পি পি চি হাব অসমে সহযোগিতা আগবঢ়াইছে। অনুষ্ঠানত বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পৰিৱেশ আৰু বন ইত্যাদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব।

ইফালে অ'জন দিৱস উপলক্ষে ৰাজ্যিক আৰু জিলা পৰ্যায়ত চৰকাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যিক পৰ্যায়ত অ'জন স্তৰৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ, ইণ্ডিয়া কুলিং এক্সন প্লেন, ২০২৪ বৰ্ষৰ অ'জন দিৱসৰ বিষয়, জলবায়ু পৰিৱৰ্তনৰ কাৰ্য আৰু নীতিসমূহ ইত্যাদি বিষয়ত বক্তৃতা, পোষ্টাৰ প্ৰতিযোগিতা, গছপুলি ৰোপণ আদি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে জিলা পৰ্যায়ৰ কাৰ্যসূচী হিচাপে মহাবিদ্যালয় ইকো ক্লাব আৰু মহাবিদ্যালয় পৰিৱেশ আৰু জলবায়ু কোষৰ দ্বাৰা ইণ্ডিয়া কুলিং এক্সন প্লেন সম্পৰ্কে সজাগতা তথা গছপুলি ৰোপণ ইত্যাদি অন্তৰ্ভুক্ত কৰা হৈছে। এই সন্দৰ্ভত ডিমৰীয়া কলেজৰ ভূতত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড০ মহানন্দ বৰাই এইদৰে কয়-

**- ভইচ কাষ্ট-**

০০০০০০

ৰাজ্য জুৰি বিজেপিৰ সদস্য ভৰ্তি অভিযান সম্প্ৰতি পূৰ্ণ গতিত চলিছে। এতিয়ালৈ ৰাজ্যত দৈনিক দুই লাখতকৈও অধিক লোকে বিজেপিৰ সদস্য পদ গ্ৰহণ কৰিছে। বিজেপি দলৰ সদস্যতা অভিযান ২০২৪ৰ এই অভিযানত বিজেপি দলৰ প্ৰতি থকা ৰাইজৰ অভূতপূৰ্ব সঁহাৰিয়ে ব্যাপক সফলতা লাভ কৰিছে। কালি বিহালিত জলসম্পদ, তথ্য আৰু জনসংযোগ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই  এই মন্তব্য কৰে। উপ নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিহালীৰ সাংগঠনিক দিশ সুদৃঢ় কৰাৰ লক্ষ্যৰে কেইবাটাও অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে বিহালীৰ সদস্য ভৰ্তি অভিযান জন্তোষজনক বুলি মন্তব্য কৰে। তদুপৰি  জাগীৰোড বিধানসভা

সমষ্টি বিগত দুটা সপ্তাহত ৰাজ্যৰ ভিতৰতে ৪৪ হাজাৰ ৫৪২ গৰাকী সদস্য ভৰ্তিৰে দ্বিতীয় স্থানত থকা বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ আৰ ই বিনিয়োগ গোলকীয় ঔদ্যোগিক বৈঠক মুকলি কৰিব। শ্ৰীমোদীয়ে আহমদাবাদৰ পৰা গান্ধীনগৰ তথা জি আই এফ টি মহানগৰ সংযোগী আহমদাবাদ মেট্ৰ'ৰ দ্বিতীয় পৰ্যায়ো মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি পি এম সূৰ্য ঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰিব। শ্ৰী মোদীয়ে আহমদাবাদ আৰু ভোজৰ মাজৰ প্ৰথমখন বন্দে ভাৰত মেট্ৰ' ৰে'লকে ধৰি ৮ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছু সংখ্যক প্ৰকল্পও মুকলি কৰিব। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে চতুৰ্থ আৰ ই বিনিয়োগ গোলকীয় নবীকৰণযোগ্য শক্তি বৈঠক তথা প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই বৈঠকত নবীকৰণযোগ্য শক্তি উৎপাদন তথা ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখনীয় প্ৰগতিৰ ওপৰত আলোকপাত কৰা হ'ব। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশী তথা গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেল উদ্বোধনী অনুষ্ঠান উপস্থিত থাকিব। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই কাৰ্যসূচীত ৪০ খনতকৈও অধিক বৈঠক তথা বিশেষ আলোচনা অনুষ্ঠিত হ'ব। অধিবেশনসমূহত উদ্ভাৱনীমূলক বিত্ত যোগান, গ্ৰীণ হাইড্ৰ'জেন তথা ভৱিষ্যতৰ শক্তি সন্দৰ্ভত আলোকপাত কৰা হ'ব। জাৰ্মানী, অষ্ট্ৰেলিয়া, ডেনমাৰ্ক আৰু ন'ৰৱে এই অনুষ্ঠানত মিত্ৰদেশ হিচাপে এই অংশগ্ৰহণ কৰাৰ লগতে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা আৰু উত্তৰ প্ৰদেশে মিত্ৰ ৰাজ্য হিচাপে অংশগ্ৰহণ কৰিব। এই বৈঠকৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত নবীকৰণযোগ্য শক্তি খণ্ডত ৰাজহুৱা তথা ব্যক্তিগত খণ্ড সংস্থা, ষ্টাৰ্টআপ তথা ঔদ্যোগিক জগতৰ কৰ্ণধাৰসকলৰ শেহতীয়া উদ্ভাৱন প্ৰদৰ্শিত হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অহা ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া সামৰণি অধিবেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

ঢকুৱাখানা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি তথা নৱনিৰ্মিত শিক্ষক ভৱন কালি উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বিধায়ক নৱ কুমাৰ দলে ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কৰি ঢকুৱাখনা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীলৈ শুভেচ্ছা জনায়। ভাষণত বিধায়কগৰাকীয়ে এই নতুন শিক্ষক ভৱনৰ মুকলিয়ে ন-উদ্যমেৰে সন্মিলনীৰ কাম-কাজ আগুৱাই নিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত ঢকুৱাখনা মহকুমাৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি পৰমা কোঁৱৰ, সাংবাদিক নিতুমণি শইকীয়াৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০

লখিমপুৰ জিলাৰ লালুকত খাদ্যত বিষক্ৰিয়া হৈ মুঠ ৪৮ গৰাকী লোক চিকিৎসাধীন হ'বলগীয়া হৈছে। ইয়াৰে ১৫ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত লালুক আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ ভাৰতী বৰা আৰু স্থানীয় লোকে জনোৱা মতে লালুক থানাৰ অন্তৰ্গত পূব লালুক পুখুৰীপৰীয়া গাঁৱৰ এটা পৰিয়ালৰ গৃহত অনুষ্ঠিত কৰা এটা ধৰ্মীয় অনুষ্ঠানত মাহ-প্ৰসাদ আৰু পায়স খোৱাৰ পাছতেই লোকসকল অসুস্থ হৈ পৰে। চিকিৎসাধীন লোকসকলৰ অসহ্য পেটৰ বিষ, বমী আৰু ডায়েৰীয়াত আক্ৰান্ত হয়। অসুস্থ লোকসকলৰ ভিতৰত বয়োজ্যেষ্ঠৰ পৰা কন কন শিশুও আক্ৰান্ত হয় বুলি চিকিৎসকে জানিবলৈ দিয়ে।

০০০০০০

দৰঙৰ ঐতিহ্যমণ্ডিত খতৰা সত্ৰৰ পাছেতি মহোৎসৱ আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এই মহোৎসৱ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰৰ ৪৫০ বছৰীয়া জয়ন্তী পালনৰ স্মাৰক হিচাপে নিৰ্মাণ কৰা ধৰ্মধবজাৰ বেদী উন্মোচন কৰিব। দৰঙৰ অন্যতম লোক উৎসৱ হিচাপে পৰিচিত পাছেতি মহোৎসৱ ১৯ ছেপ্তেম্বৰত অন্ত পৰিব। ইপিনে আজিৰ এই উদ্বোধনী অনুষ্ঠানত পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ দিলীপ শইকীয়া উপস্থিত থাকিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

চীনৰ হুলুনবুইৰত চলি থকা ২০২৪ বৰ্ষৰ এছিয়ান চেম্পিয়নছ ট্ৰফীৰ হকীৰ ছেমি ফাইনেলত আজি ভাৰতে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। খেলখন আবেলি চাৰে তিনি বজাত আৰম্ভ হ'ব। উল্লেখ যোগ্য যে ভাৰতে এতিয়ালৈকে এই প্ৰতিযোগিতাৰ এখন খেলতো পৰাজিত নোহোৱাকৈ খেলি আছে। প্ৰতিযোগিতাৰ পূৰ্বৰ খেল সমূহত ভাৰতে চীনক ৩-০, জাপানক ৫-১, মালয়েছিয়াক ৮-১, কোৰিয়াক ৩-১ আৰু পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰিছে। আজি অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত আয়োজক দল চীনৰ বিৰুদ্ধে পাকিস্তান অৱতীৰ্ণ হব।

০০০০০০

শান্তিপূৰ্ণভাৱে সম্পন্ন হ'ল তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্ব। পৰীক্ষাৰ বাবে প্ৰায় ৪ ঘণ্টা বন্ধ ৰখা হ'ল ইণ্টাৰনেট সেৱা। এই বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে দৈনিক জনমভূমি কাকতে **শান্তিপূৰ্ণভাৱে সম্পন্ন নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্ব** শিৰোনামেৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে এই বাতৰিটো **ইণ্টাৰনেট বন্ধ, বজাৰ-সমাৰতো নিষেধাজ্ঞাৰে চাকৰিৰ পৰীক্ষা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **ইণ্টাৰনেট-বজাৰ বন্ধ, ৰাজ্যজুৰি বিভিন্ন ক্ষেত্ৰত হাহাকাৰ অৱস্থা** শিৰোনামেৰে অসমীয়া খবৰ কাকতে এই বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

৪৮ ঘণ্টাৰ ভিতৰত দিল্লীৰ মুখ্যমন্ত্ৰী পদৰ পৰা ইস্তাফা দিয়াৰ ঘোষণা কৰিলে অৰবিন্দ কেজৰিৱালে। এই বাতৰিটোক আমাৰ অসম কাকতে **মুখ্যমন্ত্ৰিত্ব এৰি নিৰ্বাচনৰ বাবে সাজু কেজৰিৱাল** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কচুতলিৰ উচ্ছেদ সম্পৰ্কে এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে **জনজাতীয় বেষ্টনী এৰিলে বহু পৰিয়ালে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতে **বেদখল এৰি নিজ ঘৰলৈ হাজাৰ হাজাৰ সন্দেহযুক্ত** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

পলাশবাৰীৰ মালিয়াটা-লোচনাত ছেটেলাইট চিটীৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম অলিম্পিক সংস্থাৰ নিৰ্বাচন সম্পৰ্কীয় এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে ক্ৰীড়াবিদক নস্যাৎ কৰি ভোটযুদ্ধত ৰাজনৈতিক ৰথী-মহাৰথী শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমৰ ভিন্ন প্ৰান্তত সুকলমে অনুষ্ঠিত হ'ল নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্ব। দা ছেণ্টিনেল কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভাৰতীয় নৌসেনাৰ দুগৰাকী মহিলা বিষয়া নামিব নীলা পানীৰ বিশ্ব যাত্ৰাত। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মৰিগাঁও-ডিফুৰ দুজন দালালক গ্ৰেপ্তাৰ আৰক্ষী, কামাখ্যা ৰে'ল ষ্টেচনত জব্দ ৫২টা চোৰাং কাছ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

ধেমাজি মহকুমাৰ সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ কেশৱ কছাৰীৰ কালি সন্ধিয়া বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত শোকৰ ছা পৰিছে। ধেমাজি জিলাৰ বাটঘৰীয়া চেচাহৰ গাঁৱৰ সমাজকৰ্মী তথা ভাৰতীয় জনতাপাৰ্টিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা কেশৱ কছাৰীৰ আকস্মিক মৃত্যুত দলৰ লগতে ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে শোক প্ৰকাশ কৰি পৰিয়াল বৰ্গলৈ সমাবেদনা জনাইছে।

oooooo

সমাপ্ত